**অসম বিধানসভা**

**তৰাযুক্ত প্ৰশ্ন নং ৬৯**

**উত্তৰ দিয়া তাৰিখ : ০৯/০৭/২০২৬**

বিষয় : **শিক্ষানুষ্ঠান সমূহৰ প্ৰাদেশিকীকৰণ।**

বিধায়ক : ড°জয় প্ৰকাশ দাস

**মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

ক) The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Amendment Act, 2025 অনুসৰি কিমানখন LP, ME, High School, Senior Secondary School আৰু Degree College প্ৰাদেশিকীকৰণৰ আওঁতাত পৰিছে?

খ) উক্ত আইনৰ আওঁতাত পৰা শিক্ষানুষ্ঠানসমূহৰ প্ৰাদেশিকীকৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

গ) যদি কৰিছে, তেন্তে কেতিয়ালৈকে প্ৰাদেশিকীকৰণ সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে?

ঘ) নাওবৈচা সমষ্টিত বিগত সময়ছোৱাত কিমানখন চৰকাৰী বিদ্যালয় বন্ধ কৰা হৈছে?

ঙ)নাওবৈচা সমষ্টিৰ অৰ্ন্তগত ৰেগাম সোৱণশিৰি কলেজ, মিৰি জীয়ৰী কলেজ আৰু বছাগাঁও হায়াৰ ছেকেণ্ডাৰী স্কুলৰ দৰে শিক্ষানুষ্ঠান সমূহ কেতিয়ালৈ প্ৰাদেশিকীকৰণ কৰা হ'ব?

**মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ড°ৰণোজ পেগু মহোদয়ৰ উত্তৰ :**

ক) The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Amendment Act, 2025 প্ৰৱৰ্তনৰ পিছত Provincialised Management System (PMS) নামৰ Portal মুকলি কৰা হৈছে। অপ্ৰাদেশিকীত বিদ্যালয় সমূহ উক্ত আইনৰ আওঁতাৰ নিয়মাৱলি পূৰ্ণ কৰা বুলি নিজকে বিবেচিত কৰিলে, এই Portal যোগে প্ৰাদেশিকৰণৰ বাবে আবেদন কৰিব পাৰে। এই আবেদন প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে আৰু বৰ্তমান চলি আছে। আবেদন প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ তথা আবেদন সমূহ মূল্যায়নৰ পিছত হে উক্ত আইনৰ আওঁতাত পৰা বিদ্যালয়ৰ সংখ্যা পোৱা যাব। (Source : DEE & DSE)

অসম চৰকাৰে ভেঞ্চাৰ ডিগ্ৰী কলেজসমূহক প্ৰাদেশিকীকৰণৰ বাবে "The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) (Amendment) Act, 2025 প্ৰবৰ্তন কৰিছে। এই আইনৰ আওঁতাত পৰা ভেঞ্চাৰ ডিগ্ৰী কলেজসমূহক প্ৰাদেশিকীকৰণৰ বাবে MIS portal ৰ জড়িয়তে আবেদন বিচৰা হৈছে।

আইনৰ আওঁতাত পৰা Degree College সমূহেও আইন অনুসৰি PMS portal ত আবেদন কৰি আছে। আবেদনৰ অন্তিম দিন এতিয়ালৈ ঠিৰাং কৰা হোৱা নাই। (Source : DHE)

খ) The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Amendment Act, 2025 প্ৰৱৰ্তনৰ পিছত Provincialised Management System (PMS) Portal মুকলি কৰা হৈছে। অপ্ৰাদেশিকীত বিদ্যালয় সমূহ উক্ত আইনৰ আওঁতাৰ নিয়মাৱলি পূৰ্ণ কৰা বুলি নিজকে বিবেচিত কৰিলে, এই Portal যোগে আবেদন কৰিব পাৰে। এই আবেদন প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে আৰু বৰ্তমান চলি আছে। (Source : DEE & DSE)

গ) এই ক্ষেত্ৰত আবেদন প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ তথা আবেদন সমূহ মূল্যায়নৰ পিছত পৰৱৰ্তী সিদ্ধান্ত লোৱা হব ।

ঘ) জিলা প্ৰাথমিক শিক্ষা বিষয়া, লক্ষীমপুৰৰ পৰা পোৱা তথ্য অনুসৰি প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধিনত নাওবৈচা সমষ্টিত কোনো বিদ্যালয় বন্ধ কৰা হোৱা নাই। আনহাতে, নাওবৈচা সমষ্টিত মুঠ ৭৫ খন বিদ্যালয় একত্ৰিকৰণ কৰা হৈছে। লখিমপুৰ জিলাৰ বিদ্যালয় সমুহৰ জিলাপৰিদৰ্শকৰ পৰা পোৱা তথ্য অনুসৰি মাধ্যমিক শিক্ষা বিভাগৰ কোনো বিদ্যালয় বন্ধ কৰা হোৱা নাই। অৱশ্যে লখিমপুৰ জিলাৰ ৬ খন বিদ্যালয় একত্ৰীকৰণ / সংলগ্নকৰণ কৰা হৈছে। (উক্ত তথ্য পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল ।) (Source : DEE & DSE)

ঙ) নাওবৈচা সমষ্টিৰ অৰ্ন্তগত বছাগাঁও হায়াৰ ছেকেণ্ডাৰী স্কুলৰ দৰে শিক্ষানুষ্ঠান সমূহ The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Amendment Act, 2025ৰ আঁওতাত পৰা বিদ্যালয়সমূহৰ ক্ষেত্ৰত চৰকাৰী নিৰ্দেশণামৰ্মে কাৰ্য্যপন্থা হাতত লোৱা হব। (Source : DSE)

নাওবৈচা সমষ্টিৰ অন্তৰ্গত ৰেগাম সোৱণশিৰি কলেজ, মিৰি জীয়ৰী কলেজেও আইন অনুসৰি MIS portal ত আবেদন কৰিব পাৰিব। আবেদনৰ অন্তিম দিন এতিয়ালৈ ঠিৰাং কৰা হোৱা নাই।

(তৰাযুক্ত প্ৰশ্ন নং ৬৯ৰ উত্তৰ আৰু **পৰিশিষ্ট 'ক'** (www.cmsasla.neva.gov.in) eVidhan (NeVA) পৰ্টেলত উপলব্ধ)

**পৰিশিষ্ট 'ক'**

**Elementary School**

| | | |
|---|---|---|
| Nowboicha Assembly | | |
| 1 | Block Ele. Edn. Officer, Nowboicha | 62 |
| 2 | Block Ele. Edn. Officer, Lakhimpur | 12 |
| 3 | Block Ele. Edn. Officer, Bihpuria | 01 |
| Total | | 75 |

**High School**

| Sl. No. | District | Name of Base School | Name of the amalgamated/merged High Schools | Year of amalgamation/merger |
|---|---|---|---|---|
| 1 | Lakhimpur | Garehara Bahpati HSS | Uttar Telahi HSS | 29.03.2022 |
| 2 | Lakhimpur | Garehaga Bahpati HS School | Azad Adarsha Vidyapith High School | 17.06.2023 |
| 3 | Lakhimpur | STK High School | Sonardheki Milanjyoti High School | 17.06.2023 |
| 4 | Lakhimpur | Sarbeswar Baruah High School | Gorehaga High School | 17.06.2023 |
| 5 | Lakhimpur | Angarkhowa Chariali High School | Bishnujyoti High School | 17.06.2023 |
| 6 | Lakhimpur | Angarkhowa Chariali High School | Telahi Kamalaboria High School | 17.06.2023 |